শিশু ডাঙৰ-দীঘল হয়, আৰু সেই পৰিবেশত যিবোৰ বয়সস্থ লোক থাকে, তেওঁলোকৰ পৰা অনুকৰণপ্ৰিয় শিশুৱে শুদ্ধকৈ ভাষা ক'বলৈ শিকে। এটি অসমীয়া পৰিয়ালৰ শিশু যদি ইংৰাজী ভাষাভাষী লোকৰ পৰিয়ালত সৰুৰে পৰা ডাঙৰ-দীঘল হয়, তেনেহলে সি বিশুদ্ধ ইংৰাজী ভাষা অতি সহজে ক'ব পাৰিব। শিশুৱে এনেকৈয়ে মাতৃভাষাৰ জ্ঞান লাভ কৰে।

১৬॥ মাতৃভাষা ক'বলৈ শিকা আৰু অন্য বিদেশী ভাষা শিকা দুটা সুকীয়া কথা। মাতৃভাষাৰ শিক্ষাই অন্য ভাষা শিকাত বহুপ্ৰকাৰে বাধা দিয়ে। ওপৰৰ আলোচনাত (§§ ৩-৪) কোৱা হৈছে যে যি কোনো দুটা ভাষাৰ ধ্বনি, ধ্বনিসমষ্টি আৰু ইইতৰ প্ৰয়োগৰ ক্ষেত্ৰত মিল বা সাদৃশ্যহে থাকিব পাৰে, কিন্তু এই সকলোবোৰ কেতিয়াও একে হ'ব নোৱাৰে। মাতৃভাষাৰ লগত বিশেষকৈ ধ্বনিৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ সাদৃশ্য বা মিল নথকা ভাষাতকৈও মিল থকা ভাষাহে শিকিবলৈ বেছি কঠিন।

ভাষাৰ শিক্ষা অভ্যাস আৰু অনুকৰণৰ কথা। মাতৃভাষা সৰুৰে পৰা কওঁতে কওঁতে বাগিন্দ্ৰিয়ৰ একোটা অভ্যাস জন্মে। আৰু সেইদৰে শুনোঁতে শুনোঁতে শ্ৰৱণেন্দ্ৰিয়ও বহুখিনি একপক্ষীয় হৈ পৰে। ফলত মাতৃভাষাৰ লগত মিল থকা ধ্বনিবোৰ শুনোঁতাৰ কাণত মাতৃভাষাৰ ধ্বনিৰ সৈতে একে যেন ধাৰণা হয়: মিলটোলৈ লক্ষ্য ৰাখি ধ্বনিৰ সুকীয়া বৈশিষ্ট্যবোৰ আওকাণ কৰা হয়, অৰ্থাৎ কাণত সেইবোৰ নাবাজে। কিন্তু মাতৃভাষাৰ ধ্বনিৰ লগত যদি একেবাৰে মিল নাথাকে, সম্পূৰ্ণ বেলেগ হয়, তেনেহলে সেইবোৰ কাণত স্পষ্টকৈ বাজে আৰু ধ্বনিৰ বৈশিষ্ট্যবোৰো ধৰা পৰে। সেইদেখি ভাষা শিকিবৰ কাৰণে প্ৰথম প্ৰয়োজনীয় কথা হ'ল শ্ৰৱণেন্দ্ৰিয়ৰ প্ৰশিক্ষণ বা শুনাৰ অভ্যাস। শুনি শুনি ভাষাৰ নতুন বৈশিষ্ট্যবোৰৰ প্ৰতি সজাগ হ'বৰ সুবিধাৰ অৰ্থে আজিকালি Tape Recorder, Lingua Phone আদি যন্ত্ৰপাতি ওলাইছে।

১৭॥ ভাষা শিক্ষাৰ দ্বিতীয় প্ৰয়োজনীয় কথা হ'ল ধ্বনিৰ উচ্চাৰণৰ প্ৰশিক্ষণ। এই ক্ষেত্ৰতে মাতৃভাষাৰ বিবোধিতা আটাইতকৈ বেছি। বাগিন্দ্ৰিয়ই মাতৃভাষাৰ উচ্চাৰণৰ অভ্যাস সহজে এৰিবলৈ টান পায়। সেই কাৰণে মাতৃভাষাৰ লগত অলপ মিল থকা ধ্বনিবোৰ মাতৃভাষাৰ ধ্বনিৰ সৈতে একেদৰে উচ্চাৰিত হয়; অৰ্থাৎ নতুনকৈ শিকা ভাষাটোৰ ধ্বনিৰ উচ্চাৰণৰ স্থান, ধৰণ আৰু কৌশলৰ বৈশিষ্ট্যবোৰ লোপ পায়। ফলত ভাষাৰ প্ৰকৃত উচ্চাৰণ শিকা নহয়, ভাষাটোৰ এটা বিকৃত ৰূপ

দিয়াহে হয়। এনে বিকৃত উচ্চাৰণৰ কাৰণে কোৱা কথাকো শুনে তাই বুজিব নোৱাৰে আৰু বহু সময়ত মাতৃভাষাভাষীৰ ওচৰত হাঁহিয়াতৰ পাত্ৰ হ'ব লগা হয়।

শ্ৰৱণেন্দ্ৰিয়ৰ প্ৰশিক্ষণ আৰু উচ্চাৰণৰ অভ্যাসেই এটা নতুন ভাষা শিকিবৰ বাবে যথেষ্ট নহয়। শিকা ভাষাটোৰ ধ্বনিবোৰৰ প্ৰকৃতি আৰু প্ৰয়োগৰ বিষয়ে সম্যক ধাৰণাও এটা অতি আৱশ্যকীয় কথা।

ভাষাৰ শিক্ষণ আৰু প্ৰশিক্ষণত ধ্বনিসম্পৰ্কীয় সকলো বিষয়ে পথ প্ৰদৰ্শন কৰিব পাৰে একমাত্ৰ ধ্বনিবিজ্ঞান তথা ধ্বনিতত্বই। ভাষা এটা শিকাৰ লগে লগে সেই ভাষাৰ ধ্বনিতত্ব অধ্যয়ন কৰি তাৰ নিৰ্দেশমতে অভ্যাস কৰিলে শিক্ষা সুগম আৰু সহজ হয়। ধ্বনিতত্বই শিকাৰুজনক মাতৃভাষাৰ প্ৰভাৱমুক্ত হ'বলৈ প্ৰকৃত পথৰ সন্ধান দিয়ে।